Assamese

# বাঁক্

## অসমীয়া লোককথা



eklavya

# বাঁক্

## অসমীয়া লোককথা

কথা: আয়াং ট্ৰাষ্ট আৰু হামিংবাৰ্ড বিদ্যালয়ৰ বুক ডেভেলপমেন্ট টীম
দীপাশ্ৰী বৰুৱা, জুমামনি শইকীয়া, ৰাকেশ পেগু

চিত্ৰণ: পংকজ শইকীয়া

eklavya

# বাঁক্

অসমীয়া লোককথা

কথা: আয়াং ট্ৰাষ্ট আৰু হামিংবাৰ্ড বিদ্যালয়ৰ বুক ডেভেলপমেন্ট টীম
দীপাশ্ৰী বৰুৱা, জুমামনি শইকীয়া, ৰাকেশ পেগু
সম্পাদকীয় সহযোগীতা: ইন্দু নায়ৰ, শিৱ নাৰায়ণ গৌৰ, ঈশা বদকশ (একলব্য)

চিত্ৰণ: পংকজ শইকীয়া, মাৰ্চ 2024

এই কিতাপখন ক্ৰিয়েটিভ কমন্স লাইসেন্সৰ অ্যাট্ৰিবিউশন-নন-কমাৰ্শিয়াল-নো ডেৰিভেটিভস 4.0 ইন্টাৰন্যাশনাল (CC BY-NC-ND) ৰ অধীনত পৰে। ইয়াৰ সম্পূৰ্ণ বিৱৰণ তলৰ লিঙ্কত পাব - https://creativecommons.org/licenses/by-nc-nd/4.0/
লেখক, চিত্ৰশিল্পী আৰু প্ৰকাশকৰ তথ্যসহ অ-বাণিজ্যিক উদ্দেশ্যে কোনো পৰিবৰ্তন নকৰাকৈ কিতাপখনৰ বিতৰণ কৰা হ'ব। অন্য কোনো অনুমতিৰ বাবে, প্ৰকাশকৰ মাধ্যমত লেখকৰ সৈতে অৱশ্যেই যোগাযোগ কৰিব।

প্ৰথম সংস্কৰণ: মাৰ্চ 2024 (1000 কপি)
কাগজ: 100 gsm ম্যাপলিথো আৰু কভাৰ 220 gsm পেপাৰ বোৰ্ড
ISBN: 978-81-19771-38-7
মূল্য: ₹ 70.00

দূৰবীন, এইচ টি পাৰেখ ফাউণ্ডেশন
(H T Parekh Foundation)-ৰ আৰ্থিক সহায়ত প্ৰকাশিত।

প্ৰকাশক:
একলব্য ফাউণ্ডেশন (Eklavya Foundation)
জামনালাল বাজাজ পৰিসৰ, জাটখেড়ী,
ভূপাল – 462 026 (মপ্ৰ)
ফোন: +91 755 297 7770-71-72
www.eklavya.in

মুদ্ৰণ: আৰ কে ছিকিউপ্ৰিণ্ট প্ৰাইভেট লিমিটেড, ভোপাল, ফোন +৯১ ৭৫৫ ২৬৮৭ ৫৮৯

এদিন জুমাই আইতাকৰ লগত জুই ফুৰাই আছিল। বাহিৰত গভীৰ আন্ধাৰ। জুমাই আইতাকক ক'লে, "আইতা সাধু এটা কোৱানা!"



এসময়ৰ কথা। এখন গাঁৱত দুজন বন্ধু আছিল - মাৰকালি  আৰু চিৰকালি।

সিহঁতৰ ঘৰৰ ওচৰতে এখন ডাঙৰ বিল আছিল। দুয়োটাই মাছ ধৰি বৰ ভাল পায়। গোটেই  দিনটো মাছ বিচাৰি আনি ৰাতি পৰিয়ালৰ লগত ফুৰ্তিৰে খায়।



সেই  বিলতে এটা অদৃশ্য বাঁক্ লুকাই থাকে। সি মাছ খাই জীৱন কটায়। প্ৰয়োজন হ’লে সি মানুহৰ ৰূপো ধৰিব পাৰে। ভয়ৰ কথাটো হ’ল, তাৰ খং উঠিলে কাৰো নিস্তাৰ নাই।



মাৰকালি আৰু চিৰকালিয়ে এই বিলত সদায় মাছ ধৰে। সেইকাৰণে মাছৰ সংখ্যা কমি অহাত বাঁক্‌ৰ খাদ্য প্ৰায় নাইকিয়া হ'ল।






সি কথাটো বহুত দিনৰ পৰা  লক্ষ্য কৰি আছে।

বাঁক্ৰ খং বাঢ়ি বাঢ়ি এদিন সীমা পাৰ হৈ গ'ল। সি মাৰকালি আৰু চিৰকালিক এসেকা দিবলৈ এটা সুযোগৰ অপেক্ষাত থাকিল।





বতৰ সলনি হৈ বাৰিষাৰ দিন আহিল। মাছৰো উজান উঠিল। মাৰকালি আৰু চিৰকালিয়ে বিলত গুই পাতিবলৈ ঠিক কৰিলে।

এদিন দবা পিতা বৰষুণ আহিল। কোনো ক'লৈকো ওলাই যাব পৰা নাই। গোটেই দিনটো বৰষুণ দি থকাৰ কাৰণে লাহে লাহে বিলত পানীও বাঢ়িল। সন্ধিয়া সময়ত যেতিয়া বৰষুণ অলপ কমিল, তেতিয়া দুয়ো গৈ বিলত গুই পাতিলে।



ঠিক এনেকুৱা এটা সুযোগলৈকে বাঁক্‌টোৱে অপেক্ষা কৰি আছিল। সিহঁত দুয়োটাৰ সকলো কাম বাঁক্‌ৰ নজৰত।

চিৰকালিয়ে মাৰকালিক ক'লে, "বন্ধু কালিলৈ কুকুৰাই ডাক নিদিয়াৰ আগতে আমি মাছ চাবলৈ যাম। নহ'লে ডাঙৰ মাছ সোমালে গুইটো ভাঙি গুছি যাব।"

মাৰকালিয়ে ক'লে, "ঠিক আছে তুমি মোক আহি জগাবা, মই সোনকালে সাৰ নাপাওঁ।" তেনেদৰে কথা পাতি দুয়ো ঘৰলৈ উভটি আহিল।





কুকুৰাই ডাক নিদিয়াৰ আগতেই  মাৰকালিৰ মাত শুনি  চিৰকালি উঠি গুই চাবলৈ গ'ল।





বিলৰ ওচৰ পাঁওতেই চিৰকালিয়ে হঠাৎ এটা অদ্ভূত ৰূপ দেখিলে। ভয়ত তাৰ ডিঙি শুকাই গ'ল, মুখৰ মাত নোলোৱা হ'ল! বন্ধু মাৰকালি ক'ত ?



আনফালে, কাহিলীপুৱাতে মাৰকালিয়ে  চিৰকালিক জগাবলৈ গ'ল। মাৰকালিৰ মাত শুনি মাকে ক'লে,"সি কেতিয়াবাই গ'ল। তুমিয়েইতো তাক মাতি নিছিলা!"

সি ভাবিলে, মোক নোকোৱাকৈনো চিৰকালি কাৰ লগত গ'ল!  তাকে ভাবি ভাবি গুই পাতি থোৱা ঠাইলৈ যাবলৈ ধৰিলে।



মাৰকালিয়ে গুইটো দাণ্ডি চালে আৰু তাৰ চকু দুটা ডাঙৰ হৈ গ'ল। লাহে লাহে তাৰ গাৰ নোমবোৰ দাং খাই কঁপিবলৈ ধৰিলে। তাৰ পৰা সি তৰা-নৰা চিঙি দৌৰি আহিল আৰু গাঁৱৰ মানুহক মাতি আনিলে।



তেতিয়া গাঁৱৰ বুঢ়া এজনে ক'লে, "আমাৰ বিলত এটা  বাঁক্ আছে। সি মনে মনে আমাৰ কথাবোৰ শুনি থাকে। সেয়ে আমি কেতিয়াও পিছদিনাৰ কথা ৰাতি পাতিব নালাগে।"



লাহে লাহে জুমাৰ টোপনি আহিল। আইতাকে তাইক কোলাত তুলি বিছনালৈ লৈ গ'ল।

# আমাৰ কথা

এই কিতাপখনত অসমৰ এটা জনপ্ৰিয় লোককথা ছবি কাহিনীৰ ৰূপ দিবলৈ চেষ্টা কৰা হৈছে। ছবি কাহিনীৰ ৰূপ পাই এই লোককথা বোৰ অধিক জীৱন্ত হৈ উঠে। লোককথাৰ মাজেৰে এটা অঞ্চলৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, বিশ্বাস-অবিশ্বাস, ভাৱ ধাৰা আদি প্ৰকাশ পায়। সময় পৰিবৰ্তনৰ লগে লগে এই লোককথা বোৰৰ প্ৰচলন কমি গৈছে।  উঠি অহা প্ৰজন্মৰ মাজত এই লোককথা সমূহ জীয়াই ৰাখিবলৈ এটা নতুন আৱৰণে এই পুথিখন প্ৰস্তুত কৰা হৈছে। এই কাহিনীৰ মাধ্যমত শিশু সকলৰ চিনাকি জগতৰ মাজেৰে এখন কল্পনাৰ জগত সৃষ্টি কৰাৰ প্ৰচেষ্টা।

আশা কৰোঁ শিশু সকলে এই কিতাপখন পঢ়ি ভাল পাব।

ইতি
আয়াং ট্ৰাষ্ট আৰু হামিংবাৰ্ড বিদ্যালয়ৰ
বুক ডেভেলপমেন্ট টীম

হামিং বাৰ্ড
২০১৭ চনত স্থাপিত হোৱা হামিং বাৰ্ড বিদ্যালয় অসমৰ মাজুলীৰ বানাক্ৰান্ত এটা অঞ্চলত আশাৰ ৰেঙণি হিচাপে থিয় দিছে। প্ৰতিবছৰে বানপানীয়ে জুৰুলা কৰা অঞ্চলটোৰ জনজাতীয় শিশু সকলৰ সপোনক লালন-পালন কৰিছে।

আয়াং ট্ৰাষ্ট
পঞ্জীয়নভুক্ত সামাজিক উদ্দেশ্যৰ সংস্থা আয়াং ট্ৰাষ্টে হামিং বাৰ্ড বিদ্যালয় খন পৰিচালনা কৰে। শিক্ষক বিকাশ কাৰ্যসূচী আৰু সামূহিক পুথিভঁৰালৰ জৰিয়তে প্ৰাথমিক শিক্ষাৰ ব্যৱধান দূৰ কৰাৰ দিশত অগ্ৰসৰ হয়। ইয়াৰ উপৰিও তেওঁলোকে মহিলা শিল্পী আৰু কৃষক সকলৰ সৱলীকৰণ কৰে। তেওঁলোক প্ৰতিকূলতাৰ সন্মুখীন হ'লে অৰ্থনৈতিক স্বাধীনতা আৰু স্থিতিস্থাপকতা লাভ কৰিবলৈ সক্ৰিয় ভূমিকা লয়। আয়াং ট্ৰাষ্টে উত্তৰ -পূব ভাৰতৰ গ্ৰাম্য আৰু অভাৱ গ্ৰস্ত জনগোষ্ঠী সমূহক উন্নতিকৰণ আৰু সমৰ্থনৰ বাবে কাম কৰে। প্ৰত্যাহ্বানমূলক পৰিস্থিতিৰ মাজত আশা আৰু সম্ভাৱনা গঢ়ি তোলে।


একলব্য
একলব্য হৈছে ১৯৮২ চনত প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম পৰিৱৰ্তনৰ বাবে শৈক্ষিক কাৰ্যসূচী, ক্ষুদ্ৰ পৰ্যায়ত, আৰু চৰকাৰী আৰু বেচৰকাৰী সংস্থাৰ জৰিয়তে মূলসুঁতিলৈ সক্ৰিয়ভাৱে বীজ সিঁচি বিকশিত কৰিবলৈ গঠন কৰা এখন বেচৰকাৰী পঞ্জীয়নভুক্ত সমাজ। একলব্যৰ প্ৰকাশন আৰু প্ৰচাৰৰ প্ৰচেষ্টা ইয়াৰ বিদ্যালয় আৰু সম্প্ৰদায়ভিত্তিক কাৰ্যসূচীৰ দ্বাৰা পৰিচালিত হয়। পঠন সামগ্ৰী পাঠকৰ জীৱন আৰু পৰিৱেশৰ ওচৰত ৰখা আৰু লগতে সুলভ মূল্যত উৎপাদন কৰাটোৱেই আটাইতকৈ ডাঙৰ চিন্তা। একলব্যই হিন্দী, ইংৰাজী, মাৰাঠী, গুজৰাটী, বাংলা, অসমীয়া, কানাড়া, ওড়িয়া, উৰ্দু আৰু গণ্ডী, কোৰকু, মালৱী, বুণ্ডেলী, মুণ্ডাৰী আৰু মিছিং আদি অনুসূচীবিহীন ভাষাত গ্ৰন্থৰ শিৰোনাম প্ৰকাশ কৰিছে। একলব্যই হিন্দী ভাষাত তিনিখন আলোচনী চকমক, শ্ৰোটে আৰু সন্দৰ্ভও প্ৰকাশ কৰে।



পংকজ শইকীয়া
পংকজ শইকীয়া ৫ বছৰৰো অধিক কাল সৃষ্টিশীল প্ৰায়োগিক ক্ষেত্ৰৰ অভিজ্ঞতা থকা এগৰাকী চিত্ৰকৰ আৰু শিশু-গ্ৰন্থ লেখক। চিত্ৰকৰ হিচাপে তেওঁ মূলতঃ ছবিৰ কিতাপ আৰু গ্ৰাফিক উপন্যাসৰ বিকাশত মনোনিৱেশ কৰে। তেওঁ নিজাকৈ দুখন ছবিৰ গ্ৰন্থ ৰচনা কৰাৰ লগতে আন বহুকেইখন গ্ৰন্থৰ ব্যাখ্যাচিত্ৰ ৰচনা কৰিছে। তেওঁৰ শব্দহীন ছবি-গ্ৰন্থ 'ভূতৰ থিয়েটাৰ' বিনোদ কানোৰিয়া বঁটাৰ বাবে মনোনীত হৈছিল আৰু ২০২৩ চনৰ সন্মানীয় PARAG HONOR LIST ত তালিকাভুক্ত হৈছিল। বৰ্তমান তেওঁ অসমৰ গুৱাহাটীস্থ নিজা ষ্টুডিঅ'ত কৰ্মৰত।

৮ বছৰীয়া জুমাই আইতাকক এটা সাধু ক'বলৈ আব্‌দাৰ কৰিলে। সাধুটো হ'ল এখন বিলত থকা এটা অদৃশ্য বাঁক্‌ৰ কাহিনী। বাঁক্‌টোৱে মাছ খায় বৰ ভাল পায়।

কিন্তু তাৰ বিলত লাহে লাহে মাছবোৰ কমি গ'ল। মাছবোৰ কিয় কমি গ'ল? আৰু বাঁক্‌টোৱে কি কৰিলে? আইতাই কোৱা এই অদৃশ্য বাঁক্‌ৰ সাধুটো জানিবলৈ - আহা, কিতাপখন পঢ়া।



মূল্য: ₹ 70.00

9 788119 771387

দূরbeen
Read · Imagine · Explore
AN INITIATIVE OF H T PAREKH FOUNDATION

eklavya